জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

নং ঃ ২৩৬/২০২০

**<u>বহিঃৰাজ্য আৰু আন্তঃজিলাৰ যাত্ৰীৰ সুবিধাৰ্থে পৰিবহন বিভাগে গ্ৰহণ কৰা ব্যৱস্থাৱলী পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে</u>**

**লক্‌ডাউনৰ সময়ছোৱাত ভাৰতীয় খাদ্য নিগমৰ জৰিয়তে অভিলেখ সংখ্যক ৫ লাখ মেট্ৰিকটন চাউল অসমলৈ আহিছে ঃ মুখ্যমন্ত্ৰী**

**মহানগৰীত চলিছে ২০০ খন চিটি বাছ আৰু আন্তঃজিলা যাতায়াত সুচলতৰ কৰাৰ বাবে চলিছে ২৪৮ খন অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছসেৱা**

**লক্‌ডাউনৰ শিথিলতাই কৰ'নাৰ পৰা মুক্তি পোৱাটো নুবুজায় ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ৫ মে'ঃ** লক্‌ডাউনৰ সময়ছোৱাত বিভিন্ন ঠাইত আবদ্ধ হৈ থকা লোকসকলৰ যাতায়াত ব্যৱস্থাটো পৰ্যালোচনা কৰাৰ উদ্দেশ্যৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গড়চুকস্থিত অসম দক্ষতা বিকাশ অভিযান কাৰ্যালয়ৰ সভাকক্ষত এক বৈঠকত মিলিত হয়। বৈঠকত ৰাজ্যৰ বাহিৰত আৱদ্ধ হৈ থকা লোকসকলৰ লগতে বিভিন্ন জিলাত আৱদ্ধ হৈ থকা লোকসকলৰ যাতায়াত ব্যৱস্থাটো অধিক সুচলতৰ কৰাৰ উদ্দেশ্যৰে বিভিন্ন বিষয় আলোচনা কৰা হয়।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে স্বাস্থ্য বিভাগে দিয়া নীতি-নিৰ্দেশাৱলীৰ আধাৰত যাত্ৰীসকলক অহা-যোৱা সুচলতৰ কৰাৰ বাবে পৰিবহন বিভাগে গুণগত সেৱা আগবঢ়াব লাগিব। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে পৰ্যায়ক্ৰমে যিসকল লোকক অনাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে সেই ক্ষেত্ৰত যাত্ৰীসকলে যাতে সুনিশ্চিত সেৱা লাভ কৰিব পাৰে তাৰ বাবে বিভাগে যথোচিত পদক্ষেপ গ্ৰহণ কৰিব লাগিব। এই ক্ষেত্ৰত পৰিবহন বিভাগ, স্বাস্থ্য বিভাগ আৰু আৰক্ষী বিভাগে সহযোগিতাৰে কাম কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৈঠকত পৰিবহন বিভাগৰ শীৰ্ষ বিষয়াসকলে লক্‌ডাউনৰ সময়ছোৱাত অসম ৰাজ্যিক পৰিবহন নিগমে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে।

বৈঠকত পৰিবহন মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে কয় যে যোৱা ২৫ এপ্ৰিলৰ পৰা ২ মে'লৈকে অসম ৰাজ্যিক পৰিবহন বিভাগে ২০৯০ খন বাছৰ জৰিয়তে ৩২৪৪৪ গৰাকী যাত্ৰীৰ অহা-যোৱাৰ সুবিধা প্ৰদান কৰে। মন্ত্ৰী গৰাকীয়ে কয় যে ৰাষ্ট্ৰীয় ঘাইপথত ৪৫ খন ধাবা মুকলি কৰাৰ বাবে অনুমতি দিয়াৰ উপৰি ৮৫ খন ট্ৰাক মেৰামতি কৰা দোকান মুকলি কৰা হয়। মন্ত্ৰীগৰাকীয়ে কয় যে অসম ৰাজ্যিক পৰিবহন নিগমে মহানগৰীত ২০০ খন চিটিবাছ চলোৱাৰ উপৰি আন্তঃজিলা পৰিবহন সুচলতৰ কৰাৰ বাবে ২৪৮ খন বাছৰ সেৱা আৰম্ভ কৰিছে।

আজিৰ এই বৈঠকত বিধায়কসকল ক্ৰমে মৃণাল শইকীয়া, ঋতুপৰ্ণ বৰুৱা, বিমল বৰা, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (নিৰাপত্তা) হাৰমিৎ সিং, পৰিবহন বিভাগৰ আয়ুক্ত সচিব কে কে দ্বিবেদী, অসম ৰাজ্যিক পৰিবহন নিগমৰ পৰিচালন সঞ্চালক আনন্দ প্ৰকাশ তিৱাৰী আৰু অন্যান্য উচ্চপদস্থ বিষয়াসকল উপস্থিত আছিল।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথোপকথনত মুখ্যমন্ত্ৰীয়ে কয় যে লক্‌ডাউনৰ সময়ছোৱাত ৰাজ্যৰ জনসাধাৰণে যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হ'ব নালাগে তাৰ বাবে ৰাজ্য চৰকাৰে সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। লক্‌ডাউনৰ সময়ছোৱাত অসমত ৫ লাখ মেট্ৰিকটন ভাৰতীয় খাদ্য নিগমৰ চাউল ৰাজ্যখনলৈ আহে। আনহাতে, ভাৰতীয় খাদ্য নিগমৰ জৰিয়তে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ৬.৫ লাখ মেট্ৰিকটন চাউল এই অঞ্চলটোলৈ আহে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এই সময়ছোৱাত ৰাজ্যখনলৈ ৪৫২ টা ৰে'লৰে ৰেক অহাৰ লগতে ৪৪৭৩২ খন খাদ্য সামগ্ৰী কঢ়িওৱা ট্ৰাক অসমত প্ৰৱেশ কৰে। ইয়াৰ ভিতৰত ধুবুৰীৰ বক্সিৰহাটেৰে ১৩০৮৩ খন ট্ৰাক আৰু কোকৰাঝাৰ জিলাৰ শ্ৰীৰামপুৰেৰে ৩১৬৪৯ খন ট্ৰাক প্ৰৱেশ কৰে। পৰিবহন বিভাগে এল পি জি ট্ৰাকৰ যাতায়াত সুনিশ্চিতকৰাৰ বাবে লোৱা পদক্ষেপৰ ফলত ৫৪৭৪৩ মেট্ৰিকটন বটলিং কৰাটো সম্ভৱ হৈ উঠে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰে'লৰে য়াৰ্ডৰ পৰা ৰাজ্যৰ বিভিন্ন ঠাইলৈ খাদ্য সামগ্ৰী কঢ়িওৱাৰ বাবে লক্‌ডাউনৰ সময়ছোৱাত ৫৩১১৮ খন ট্ৰাকে যাতায়াত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে লক্‌ডাউনৰ সময়ছোৱাত ৪১৮৪১ জন শ্ৰমিকক নিয়োগ কৰা হয়।

মুখ্যমন্ত্ৰীয়ে কয় যে কৰ'না ভাইৰাছ সম্পৰ্কত আৰম্ভণিতে জনসাধাৰণৰ মাজত ভয় আৰু শংকা বৃদ্ধি পাইছিল যদিও স্বাস্থ্য বিভাগে গ্ৰহণ কৰা পদক্ষেপৰ বাবে আজি জনসাধাৰণৰ মাজত আত্মবিশ্বাস জাগি উঠিছে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান ক্ৰমে প্ৰথম আৰু দ্বিতীয় পৰ্যায়ত লক্‌ডাউন কাৰ্যসূচী অসমৰ জনসাধাৰণৰ সহযোগিতাৰ বাবে সফল কৰাটো সম্ভৱ হৈছে। মুখ্যমন্ত্ৰীয়ে তৃতীয় পৰ্যায়ৰ লক্‌ডাউনৰ কাৰ্যসূচী সফল কৰাৰ ক্ষেত্ৰত জনসাধাৰণৰ পৰা সহযোগিতা বিচাৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অৰ্থনৈতিক ব্যৱস্থাটো অব্যাহত ৰখাৰ বাবে কেন্দ্ৰীয় চৰকাৰে কিছু ক্ষেত্ৰত শিথিলতা আনিছে। ইয়াৰ অৰ্থ আমি কৰ'নাৰ পৰা মুক্তি পোৱাটো নুবুজায় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে সামাজিক ব্যৱধান বজাই ৰাখি স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশনা সম্পূৰ্ণৰূপে মানি চলিবলৈ জনসাধাৰণলৈ আহ্বান জনায়। নিজ নিজ কৰ্মপথাৰত সামাজিক দূৰত্ব বজাই ৰাখি কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে আমি কাম কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ছাত্ৰ-ছাত্ৰীসকলে যাতে শিক্ষাবৰ্ষ হেৰুৱাবলগীয়া নহয় তাৰ বাবেও ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ উঠি অহা প্ৰজন্মক কৃষি অৰ্থনীতিৰ প্ৰতি আগ্ৰহী কৰি দক্ষতাসম্পন্ন কৰি তুলিব লাগিব। এনে দক্ষতাসম্পন্ন যুৱ প্ৰজন্মৰ জৰিয়তে আমাৰ গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰি তুলিব পৰা যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ বাবে উঠি অহা প্ৰজন্মক যথোচিত প্ৰশিক্ষণ প্ৰদান কৰাৰ বাবে অসম দক্ষতা বিকাশ অভিযানক নিৰ্দেশ দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে আন্তঃৰাজ্যিক বাছ আস্থানলৈ গৈ যাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰাৰ উপৰি যাত্ৰীসকলক অহা যোৱাৰ বাবে লোৱা ব্যৱস্থাৱলীও প্ৰত্যক্ষ কৰে।

**পুঃডেঃ / প্ৰঃকুঃবঃ**
**৫/৫/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in